NEWZ NOW

সংখ্যা ২৪ | মঙলবাৰ, ১৭ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

আন্তঃৰাষ্ট্ৰীয়

'মোদী এগৰাকী মহান নেতা, সকলোৱে তেওঁক সন্মান কৰে'- প্ৰধানমন্ত্ৰী মোদীক প্ৰশংসা ড'নাল্ড ট্ৰাম্পৰ

মানিলাত কোৱাড নেতাসকলৰ বৈঠকত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে নৰেন্দ্ৰ মোদীক নিজৰ বন্ধু আৰু বিশ্বজুৰি সন্মানিত মহান নেতা বুলি কয়।



শ্বাহ্ আলম | ১৭ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৫

মানিলা, ১৭ নৱেম্বৰ: কোৱাডৰ নেতাসকলৰ সৈতে হোৱা বৈঠকত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। মঙলবাৰে ফিলিপাইনছৰ ৰাজধানী মানিলাত ট্ৰাম্পে মোদীক 'কঠোৰ মনৰ ব্যক্তি', 'মহান নেতা' আৰু নিজৰ বন্ধু বুলি অভিহিত কৰে। ভাৰত-আমেৰিকাৰ সম্পৰ্কক ইতিবাচক আখ্যা দি ট্ৰাম্পে কয় যে, দুয়োখন দেশে ঘনিষ্ঠভাৱে সমন্বয় সাধন কৰি আহিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3943

দেশ

'শুদ্ধ NRCৰ লগতে SIRৰো লাগিব অসমত'; দিল্লীৰ পৰা হুংকাৰ ছাত্ৰনেতা সমুজ্জ্বল ভট্টাচাৰ্যৰ



অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (NRC) পুনৰীক্ষণ আৰু ভোটাৰ তালিকাৰ বিশেষ সংশোধন (Special Intensive Revision - SIR)ৰ দাবী উত্থাপন কৰিছে সদৌ অসম ছাত্ৰ সন্থা...
পঢ়ক: https://newznow.in/news/3923

ৰাজনীতি

উত্তৰ প্ৰদেশত ১.২৭ কোটি হিন্দু ভোটাৰৰ নাম নথকাৰ দাবী যোগী আদিত্যনাথৰ, নিৰ্বাচন আয়োগৰ উত্তৰ - ধৰ্মভিত্তিক তথ্য ৰখা নহয়



লক্ষ্ণৌ, ১৭ নৱেম্বৰ: উত্তৰ প্ৰদেশৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধন প্ৰক্ৰিয়াক লৈ নতুন বিতৰ্কৰ সৃষ্টি হৈছে।
পঢ়ক: https://newznow.in/news/3939

আন্তঃৰাষ্ট্ৰীয়

শ্বেখ হাছিনাৰ সম্ভাব্য প্ৰত্যাৱৰ্তনৰ পূৰ্বে বাংলাদেশত উত্তেজনা, ঢাকাৰ বিমানবন্দৰৰ সমীপত দুটাকৈ বোমা বিস্ফোৰণত আহত ৩



ঢাকা, ১৭ নৱেম্বৰ: বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ দেশলৈ সম্ভাব্য প্ৰত্যাৱৰ্তনক কেন্দ্ৰ কৰি ৰাজনৈতিক উত্তেজনা বৃদ্ধি পোৱাৰ মাজতে সোমবাৰে...
পঢ়ক: https://newznow.in/news/3981

অসম

দুলীয়াজানৰ ট্ৰিপল মাৰ্ডাৰকাণ্ডৰ তদন্তত নতুন তথ্য, দুই অভিযুক্তৰ স্বীকাৰোক্তিৰ দাবী আৰক্ষীৰ



ডুলীয়াজান, ১৭ নৱেম্বৰ: ডিব্ৰুগড় জিলাৰ ডুলীয়াজানত একেটা পৰিয়ালৰ তিনিজন সদস্যক হত্যা কৰাৰ ঘটনাত দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে।
পঢ়ক: https://newznow.in/news/3947

ভিতৰৰ পাতত

অসম: ৰঙাজান দুৰ্ঘটনাত আহত শিশুটিৰ পৰিচয়...

ৰাজনীতি: কংগ্ৰেছে আঞ্চলিক দলক 'প্ৰধান শত্ৰু...

ক্ৰীড়া: আইপিএলৰ খেলুৰৈ হিচাপে ধোনীৰ অৱসৰ,...

দেশ: প্ৰসংগ: শুদ্ধ NRC প্ৰস্তুত, আছুৰ আ...

অসম

ৰঙাজান দুর্ঘটনাত আহত শিশুটিৰ পৰিচয় ওলাল, CWC কেন্দ্ৰৰ পৰা শিশুটিক চমজি ল'লে পৰিয়ালৰ লোকে

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, নিশা ৭:৪৯



কাজিৰঙাৰ ৰঙাজানত সংঘটিত শোকাৱহ পথ দুর্ঘটনাত আহত কণমানি শিশুটিৰ পৰিচয় পোহৰলৈ আহিছে। শিশুটিৰ নাম দেৱ গোৱালা। তেওঁৰ পিতৃ ৰাহুল গোৱালা আৰু মাতৃ নিকিতা গোৱালা।

ৰাহুল গোৱালাৰ ঘৰ ডিমাপুৰত। আনহাতে, নিকিতা গোৱালাৰ ঘৰ নগাঁৱৰ মিছাৰ হাতীগাঁৱত। ডিমাপুৰত থকা স্বামীৰ ঘৰৰ পৰা নিকিতাৰ মাতৃগৃহলৈ আহি থকাৰ সময়তে ৰঙাজানত দুর্ঘটনাটো সংঘটিত হৈছিল বুলি জানিব পৰা গৈছে।

দুর্ঘটনাত গুৰুতৰভাৱে আহত ৰাহুল আৰু নিকিতা বর্তমান যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আই চি ইউত চিকিৎসাধীন হৈ আছে।

নিকিতাৰ পৰিয়ালৰ হাতত এন্ড্ৰইড মোবাইল নথকাৰ বাবে ঘটনাটোৰ বিষয়ে তেওঁলোকে আগতে গম পোৱা নাছিল। আন লোকৰ মোবাইলত নাতিনিয়েকৰ ফটো দেখি তেওঁলোকে শিশুটিক চিনাক্ত কৰে।

ইয়াৰ পাছতে পৰিয়ালৰ লোকসকল বোকাখাততে উপস্থিত হয়। শিশুটিৰ ককাক-আইতাক গোলাঘাট শিশু সুৰক্ষা বিভাগৰ কার্যালয়ত উপস্থিত হৈ দেৱক কলিয়াবৰত থকা নিজৰ ঘৰলৈ লৈ যায়।

সম্পূর্ণ খবৰ:
https://newznow.in/news/3977

ৰাজনীতি

কংগ্ৰেছে আঞ্চলিক দলক 'প্ৰধান শত্ৰু' বুলি গণ্য কৰে: অখিল গগৈ

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, নিশা ৭:৪৩



কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মিত্রতা ভংগ হোৱাৰ প্রায় দুমাহৰ পাছত কংগ্ৰেছৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ পৰিছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈ। বিজেপিক প্রধান ৰাজনৈতিক প্রতিদ্বন্দ্বী হিচাপে গণ্য কৰাৰ পৰিৱর্তে কংগ্ৰেছে আঞ্চলিক ৰাজনৈতিক দল আৰু প্রকৃত গণ-আন্দোলনসমূহক নিজৰ 'প্রধান শত্ৰু' হিচাপে গণ্য কৰে বুলি অভিযোগ উত্থাপন কৰিছে তেওঁ।

এই সন্দর্ভত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী আৰু ৰাজনৈতিক কর্মী যোগেন্দ্ৰ যাদৱলৈ পৃথকে পত্র প্রেৰণ কৰিছে অখিল গগৈয়ে।

মঙলবাৰে ৰাহুল গান্ধীলৈ প্রেৰণ কৰা পত্রত ককৰোচ জনতা পার্টী (চিজেপি)-ৰ নেতৃত্বত চলা আন্দোলন দুর্বল কৰাৰ বাবে কংগ্ৰেছক জগৰীয়া কৰে তেওঁ। চিজেপি-ৰ আন্দোলনক সমর্থন কৰাৰ পৰিৱর্তে কংগ্ৰেছে সমান্তৰাল প্রতিবাদী কার্যসূচী গ্রহণ কৰি আন্দোলনৰ শক্তি বিভাজিত কৰিছিল বুলি তেওঁৰ অভিযোগ। ইয়াৰ ফলত শাসকীয় পক্ষই আন্দোলনটো নিয়ন্ত্রণ কৰাৰ সুযোগ লাভ কৰিছিল বুলিও পত্রখনত উল্লেখ কৰিছে তেওঁ।

সমান্তৰাল প্রতিবাদৰ জৰিয়তে প্রকৃত গণ-আন্দোলনৰ সৈতে প্রতিযোগিতাত নামি কংগ্ৰেছে আন্দোলনটোৰ শক্তি হ্রাস কৰিছে বুলি পত্রত লিখিছে অখিল গগৈয়ে। যুৱপ্রজন্মৰ নেতৃত্বত গঢ় লৈ উঠা এনে আন্দোলনক বিৰোধী ৰাজনৈতিক দলসমূহে নিঃচর্ত সমর্থন আগবঢ়োৱা উচিত বুলিও তেওঁ কয়। চিজেপি বা ইয়াৰ নেতৃত্বৰ সৈতে কংগ্ৰেছৰ মতভেদ থাকিলেও আন্দোলনটোৰ প্রতি সমর্থন আগবঢ়াবলৈ ৰাহুল গান্ধীক আহ্বান জনাইছে তেওঁ।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3973

ক্ৰীড়া

আইপিএলৰ খেলুৰৈ হিচাপে ধোনীৰ অৱসৰ, ২০২৭ৰ পৰা চেন্নাইৰ মেণ্টৰ

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, নিশা ৮:২৮



চেন্নাই, ১৭ নৱেম্বৰ: মহেন্দ্ৰ সিং ধোনীয়ে ভাৰতীয় প্ৰিমিয়াৰ লীগৰ খেলুৰৈ হিচাপে ১৮ বছৰীয়া যাত্ৰাৰ সামৰণি ঘটালে। চেন্নাই ছুপাৰ কিংছে মঙলবাৰে আনুষ্ঠানিকভাৱে ঘোষণা কৰে যে ২০২৭ চনৰ আইপিএলৰ পৰা ধোনীয়ে দলটোৰ মেণ্টৰ হিচাপে নতুন দায়িত্ব গ্ৰহণ কৰিব।


২০২৭ চনৰ আইপিএলৰ খেলুৰৈ ধৰি ৰখাৰ সময়সীমা সমাগত হোৱাৰ সময়তে দলটোৱে এই ঘোষণা কৰে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এক বিবৃতিত চেন্নাই ছুপাৰ কিংছে ধোনীক 'এক জীৱনকালত এবাৰহে দেখা পোৱা খেলুৰৈ' বুলি অভিহিত কৰি তেওঁ দলটোৰ পৰিচয়ৰ অবিচ্ছেদ্য অংশ হৈ থাকিব বুলি জনায়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3992

দেশ

বংগোপসাগৰত ঘূৰ্ণীবতাহ 'আকভান'; ২০ নৱেম্বৰত অন্ধ্ৰ উপকূলত আঘাতৰ আশংকা

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৯



নতুন দিল্লী: বংগোপসাগৰত গভীৰ নিম্নচাপ ঘনীভূত হৈ ঘূৰ্ণীবতাহ 'আকভান'ৰ সৃষ্টি হৈছে। ক্ৰমাৎ শক্তিশালী হৈ ঘূৰ্ণীবতাহটো উত্তৰ-উত্তৰ-পশ্চিম দিশে অন্ধ্ৰপ্ৰদেশ উপকূলৰ অভিমুখে আগবাঢ়িছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ঘূৰ্ণীবতাহটোৰ গতিবিধিৰ ওপৰত নিৰন্তৰ নজৰ ৰাখিছে।

বতৰ বিজ্ঞান বিভাগৰ পূৰ্বাভাস অনুসৰি, অহা দুদিনত 'আকভান' অধিক শক্তিশালী হৈ প্ৰথমে তীব্ৰ ঘূৰ্ণীবতাহ আৰু পাছত অতি তীব্ৰ ঘূৰ্ণীবতাহত পৰিণত হোৱাৰ সম্ভাৱনা আছে। শুকুৰবাৰে, অৰ্থাৎ ২০ নৱেম্বৰৰ দুপৰীয়াত ঘূৰ্ণীবতাহটোৱে অন্ধ্ৰপ্ৰদেশ উপকূলত স্থলভাগত প্ৰৱেশ কৰিব পাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3927

দেশ

প্ৰসংগ: শুদ্ধ NRC প্ৰস্তুত, আছুৰ আবেদন গ্ৰহণ কৰি চৰকাৰৰ পৰা উত্তৰ বিচাৰিলে SCয়ে

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৩



নতুন দিল্লী, ১৭ নৱেম্বৰ: অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী পুনৰীক্ষণৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই দাখিল কৰা আবেদন শুনানিৰ বাবে গ্ৰহণ কৰিছে সৰ্বোচ্চ ন্যায়ালয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3919

আন্তঃৰাষ্ট্ৰীয়

বাংলাদেশত গাৰ্মেণ্ট শ্ৰমিকৰ প্ৰতিবাদত বন্ধ শতাধিক কাৰখানা

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৯



ঢাকা, ১৭ নৱেম্বৰ: ন্যূনতম মাহিলী দৰমহা ১২,৫০০ টকাৰ পৰা ৩০,০০০ টকালৈ বৃদ্ধিৰ দাবীত বাংলাদেশত গাৰ্মেণ্ট উদ্যোগৰ শ্ৰমিকসকলৰ প্ৰতিবাদ তীব্ৰতৰ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3839

আন্তঃৰাষ্ট্ৰীয়

হৰমুজ প্ৰণালীত এলপিজি টেংকাৰত ক্ষেপণাস্ত্ৰ আক্ৰমণ, আছিল ২৪ ভাৰতীয় ক্ৰু

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, আবেলি ৫:১৪



নতুন দিল্লী, ১৬ নৱেম্বৰ: হৰমুজ প্ৰণালীত পুনৰ এখন এলপিজি টেংকাৰত ক্ষেপণাস্ত্ৰ আক্ৰমণ সংঘটিত হৈছে। ১৬ নৱেম্বৰত পানামাৰ পতাকাবাহী 'তাৰা গেছ' নামৰ টেংকাৰখন আক্ৰমণৰ লক্ষ্য হৈ পৰে।

জাহাজখনত থকা ২৪জন ভাৰতীয়সহ মুঠ ২৫জন ক্ৰু সদস্যৰ আটাইকেইজন সুৰক্ষিত আছে। ঘটনাটোত কোনো লোক আহত হোৱা নাই।


কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰা তথ্য অনুসৰি, ভাৰত চৰকাৰে পৰিস্থিতিৰ ওপৰত নিৰন্তৰ নজৰ ৰাখিছে। ভাৰতীয় নাৱিকসকলৰ সুৰক্ষা নিশ্চিত কৰিবলৈ জাহাজখনৰ পৰিচালনা কোম্পানীৰ লগতো নিয়মীয়াকৈ যোগাযোগ ৰখা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3915

দেশ

বন্ধুৰ সৈতে অৰণ্যলৈ ফুৰিব যোৱা যুৱতীৰ ৰক্তাক্ত মৃতদেহ উদ্ধাৰ, হত্যাৰ সন্দেহত আটক বন্ধু

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, পুৱা ৯:৪৭



গণ্ডিয়া, ১৭ নৱেম্বৰ: দীপাৱলী উদযাপনৰ বাবে মাতৃগৃহলৈ অহা এগৰাকী ৩৫ বছৰীয়া মহিলাৰ ৰক্তাক্ত মৃতদেহ উদ্ধাৰক কেন্দ্ৰ কৰি মহাৰাষ্ট্ৰত চাঞ্চল্যৰ সৃষ্টি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3743

দেশ

UCC বলবৎ হ'লে সকলো ধৰ্মৰ অধিকাৰ খৰ্ব হ'ব: সঞ্জয় সিং

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, আবেলি ৫:০৩



১৭ নৱেম্বৰ ,২০২৬ :

আম আদমী পাৰ্টিৰ ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে উমৈহতীয়া দেৱানী বিধি বা ইউচিচিৰ বিৰোধিতা কৰি কয় যে, এই বিধি বলৱৎ হ'লে দেশৰ বিভিন্ন ধৰ্ম-সম্প্ৰদায়ৰ নিজা ধৰ্মীয় ৰীতি-নীতি, পৰম্পৰা আৰু সাংবিধানিক অধিকাৰ ক্ষতিগ্ৰস্ত হ'ব।

মুম্বাইত এক অনুষ্ঠানত অংশগ্ৰহণ কৰি সাংসদগৰাকীয়ে কয়, ভাৰতত হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টান, জৈন আৰু আদিবাসীসকলৰ পৃথক পৃথক ধৰ্মীয় বিশ্বাস আৰু সামাজিক পৰম্পৰা আছে। বিবাহৰ ক্ষেত্ৰতো বিভিন্ন সম্প্ৰদায়ৰ নিজস্ব ৰীতি-নীতি প্ৰচলিত হৈ আহিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3911

দেশ

ভয়ংকৰ বাছ দুৰ্ঘটনা, ৬ জনৰ মৃত্যু; ২০ৰো অধিক আহত

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, পুৱা ১০:১৬



ডেৰাডুন, ১৭ নৱেম্বৰ: উত্তৰাখণ্ডৰ তেহৰি গাৰহোৱাল জিলাত মঙলবাৰে পুৱা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত কমেও ৬গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ২০ৰো অধিক যাত্ৰী আহত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3751

উত্তৰ-পূৰ্বাঞ্চল

ইম্ফল পূব জিলাত কেওৱাইকেএলৰ দুজন সদস্য গ্ৰেপ্তাৰ, পিষ্টল জব্দ

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, পুৱা ১০:০৯



ইম্ফল, ১৭ নৱেম্বৰ: মণিপুৰৰ ইম্ফল পূব জিলাত নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন কাংলেই য়াওল কান্না লুপ (কেওৱাইকেএল)ৰ দুজন সদস্যক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ধন দাবীৰ সৈতে জড়িত থকাৰ অভিযোগত তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছে। ১৫ নৱেম্বৰত ইম্ফল পূব জিলাৰ নিউ চেকন অঞ্চলত চলোৱা এক অভিযানত দুয়োজনক আটক কৰা হয়। প'ৰমপাট আৰক্ষী থানাৰ অধীনস্থ এলেকাটোত ইম্ফল পূব জিলাৰ চি ডি অ' আৰু ২৮ মাদ্ৰাজ ৰেজিমেণ্টৰ এটা যুটীয়া দলে অভিযান চলাইছিল। গ্ৰেপ্তাৰ হোৱা লোক দুজন লাইশ্ৰাম হোমেন সিং ওৰফে কোৰৌ (৪৫) আৰু মইৰাংথেম ৰ'বেন সিং ওৰফে ৰোশন (৫৪)। হোমেন সিঙৰ ঘৰ খোংমান মাংজিল মামাং চপাম লেইৰাকত।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3747

দেশ

লোনীত আৰক্ষীৰ গুলীত আহত চেইন চুৰি অভিযুক্ত

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, পুৱা ৯:৪৪



লোনী, উত্তৰ প্ৰদেশ: আৰক্ষীৰ গুলীত আহত হোৱা দীপক নামৰ এজন অভিযুক্তক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। তেওঁৰ পৰা এটা সোণৰ চেইন, এটা দেশীয় পিষ্টল আৰু এটা সজীৱ কাৰ্টিজ উদ্ধাৰ কৰা হৈছে বুলি এচিপি ৰাম কিষাণে জনায়।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3739

দেশ

গুজৰাটৰ গোধৰা কেন্দ্ৰীয় বাছ আস্থানত অগ্নিকাণ্ড

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, পুৱা ৮:৪১



গোধৰা, গুজৰাট: গুজৰাটৰ গোধৰা কেন্দ্ৰীয় বাছ আস্থানত অগ্নিকাণ্ড সংঘটিত হৈছে।

অগ্নিকাণ্ডত বাছ আস্থানটোৰ কেইবাখনো দোকান, পাৰ্চেল কাৰ্যালয় আৰু নিয়ন্ত্ৰণ কাৰ্যালয় জুইত জাহ যোৱাৰ খবৰ পোৱা গৈছে।

অগ্নিকাণ্ডৰ ফলত বাছ আস্থানটোৰ একাংশত ব্যাপক ক্ষতিসাধন হৈছে।


কেনেদৰে জুইৰ সূত্ৰপাত হ'ল, অগ্নিকাণ্ডত কোনো লোক হতাহত হৈছে নে নাই আৰু ক্ষয়-ক্ষতিৰ পৰিমাণ কিমান, সেই সন্দৰ্ভত এতিয়ালৈকে বিতং তথ্য লাভ কৰা হোৱা নাই।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3735

দেশ

ৰাজীৱ-ছোনিয়াৰ প্ৰেমৰ কাহিনী কেম্ব্ৰিজৰ ভাৰ্ছিটি ৰেষ্টুৰেণ্টৰ সৈতে জড়িত!

NewzNow ডেস্ক | ১৬ নৱেম্বৰ ২০২৬, নিশা ১১:২৫



নতুন দিল্লী, ১৬ নৱেম্বৰ: কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষা ছোনিয়া গান্ধীৰ স্মৃতিকথা 'বিলঙিং: এ জাৰ্নি অৱ লাভ' সোমবাৰে উন্মোচন কৰা হয়। নতুন দিল্লীৰ আইটিচি মৌৰ্যত অনুষ্ঠিত অনুষ্ঠানত ছোনিয়া গান্ধীয়ে ভাৰতলৈ আহি গান্ধী পৰিয়ালত বিবাহপাশত আবদ্ধ হোৱাৰ পাছত আপোনত্ব আৰু স্বীকৃতি বিচাৰি পোৱাৰ যাত্ৰাৰ কথা কয়।


বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3719

অসম

কাজিৰঙাত চলন্ত বাহনত গুলীবিদ্ধ বোকাখাত ট্ৰেফিক শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, নিশা ৮:২১



কাজিৰঙা, ১৭ নৱেম্বৰ: কাজিৰঙাৰ দুৰ্গাপুৰ অঞ্চলত চলন্ত বাহনৰ ভিতৰত ছাৰ্ভিচ ৰিভলভাৰৰ পৰা আকস্মিকভাৱে গুলী ওলাই গুৰুতৰভাৱে আহত হৈছে বোকাখাত ট্ৰেফিক শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰবীণ কলিতা।

সতীর্থ আৰক্ষীক লগত লৈ বাহনখনত যাত্ৰা কৰি থকা সময়তে এই ঘটনা সংঘটিত হয়। বাহনখনত থকা আৰক্ষী জয়ন্ত বুঢ়াগোহাঁয়ে প্ৰবীণ কলিতাৰ ছাৰ্ভিচ ৰিভলভাৰটো আনলক কৰিবলৈ লওঁতেই অসাৱধানবশতঃ গুলী চলি যায় বুলি জানিব পৰা গৈছে।

গুলীটো প্ৰবীণ কলিতাৰ বাওঁহাতত লাগে আৰু বাহনখনৰ সন্মুখৰ গ্লাছ ভেদ কৰি বাহিৰলৈ ওলাই যায়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3984

অসম

কাৰ্বি আংলঙত অসমৰ দ্বিতীয়খন সৈনিক স্কুলৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ, ৩৩৬ কোটি টকাৰে নিৰ্মাণ হ'ব শিক্ষানুষ্ঠান

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, নিশা ৭:১৭



কাৰ্বি আংলং, ১৭ নৱেম্বৰ: কাৰ্বি আংলং জিলাৰ লাংভোকুত মঙলবাৰে অসমৰ দ্বিতীয়খন সৈনিক স্কুলৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3959

অসম

কোকৰাঝাৰত নাবালিকাৰ যৌন নিৰ্যাতনৰ দুটা গোচৰত দুজনক যাৱজ্জীৱন কাৰাদণ্ড

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, নিশা ৭:১২



কোকৰাঝাৰ, ১৭ নৱেম্বৰ: নাবালিকাৰ ওপৰত যৌন নিৰ্যাতনৰ পৃথক দুটা গোচৰত দোষী সাব্যস্ত হোৱা দুজন ব্যক্তিক যাৱজ্জীৱন কাৰাদণ্ড প্ৰদান কৰিছে কোকৰাঝাৰৰ বিশেষ আদালতে। মঙলবাৰে জিলা আৰু সত্ৰ ন্যায়াধীশ নুৰজামাল হকৰ আদালতে এই ৰায় ঘোষণা কৰে।

যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত ব্যক্তি দুজন হৈছে ৪৫ বছৰীয়া খগেন মুছাহাৰী আৰু ৬১ বছৰীয়া আইনাল শ্বেখ। খগেন মুছাহাৰীৰ ঘৰ গোসাঁইগাঁও মহকুমাৰ সৰাবিল বালাপাৰাত। আনহাতে, আইনাল শ্বেখ একেটা মহকুমাৰ ভোদিয়াগুৰিৰ বাসিন্দা।

আদালতত দাখিল কৰা গোচৰৰ বিৱৰণ অনুসৰি, ২০২৬ চনৰ ১৪ এপ্ৰিলত খগেন মুছাহাৰীয়ে পাঁচ বছৰীয়া এগৰাকী কন্যা শিশুক যৌন নিৰ্যাতন চলাইছিল। শিশুটি ঘৰৰ ওচৰত খেলি থকা অৱস্থাত অভিযুক্তই প্ৰলোভন দেখুৱাই নিজৰ ঘৰৰ এটা কোঠালৈ লৈ গৈছিল আৰু তাতেই অপৰাধ সংঘটিত কৰিছিল বুলি অভিযোগত উল্লেখ কৰা হৈছিল।

পাছত শিশুটিয়ে পৰিয়ালৰ লোকক ঘটনাৰ বিষয়ে অৱগত কৰাত গোসাঁইগাঁও আৰক্ষী থানাত পকছ' আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছিল।

আনটো গোচৰত ৬১ বছৰীয়া আইনাল শ্বেখৰ বিৰুদ্ধে ২০২৫ চনৰ ২২ ছেপ্টেম্বৰত ১৬ বছৰীয়া এগৰাকী কিশোৰীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপিত হৈছিল। কিশোৰীগৰাকী আইতাকৰ ঘৰলৈ গৈ থকা সময়তে অভিযুক্তই বাটত আগভেটি ধৰি ওচৰৰ এটা চেগুন বাগিচালৈ লৈ গৈছিল আৰু তাত নিৰ্যাতন চলাইছিল বুলি গোচৰত উল্লেখ কৰা হৈছিল।

দুয়োটা গোচৰ গোসাঁইগাঁও আৰক্ষী থানাত পঞ্জীয়ন কৰা হৈছিল। পৃথক দুয়োটা গোচৰৰ বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত আদালতে অভিযুক্ত...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3955

অসম

দুয়োখন স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত ২৯১গৰাকী প্ৰাৰ্থী

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, নিশা ৭:০৬



গুৱাহাটী, ১৭ নৱেম্বৰ: সোণোৱাল কছাৰী আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত মুঠ ২৯১গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। দুয়োখন পৰিষদৰ ভোটগ্ৰহণ ৩০ নৱেম্বৰত অনুষ্ঠিত হ'ব।

মঙলবাৰে প্ৰকাশিত চৰকাৰী জাননী অনুসৰি, মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম সময়সীমা উকলি যোৱাৰ পাছত ৩৫গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ প্ৰত্যাহাৰ কৰিছে। ইয়াৰ ভিতৰত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰা ১১গৰাকী আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰা ২৪গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ প্ৰত্যাহাৰ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3951

অসম

৩দিন চকা বন্ধ ঘোষণা অসমত! ৪৮ ঘণ্টীয়া চকা বন্ধৰ আহ্বান

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, আবেলি ৬:১০



১৭ নৱেম্বৰ ,২০২৬ :

অসমত ৩দিন চকা বন্ধ ঘোষণা। ২০ নৱেম্বৰৰ পৰা ২২ নৱেম্বৰলৈ বন্ধৰ কাৰ্যসূচী। ৰাজ্যজুৰি স্তব্ধ হ'ব পাৰে যাত্ৰীবাহী বাণিজ্যিক বাহনৰ চলাচল!

অসমত ২০ নৱেম্বৰৰ পুৱা ৬ বজাৰ পৰা ৪৮ ঘণ্টীয়া ৰাজ্যব্যাপী চকা বন্ধৰ আহ্বান জনোৱা হৈছে। মটৰ পৰিবহণ খণ্ডৰ মালিক-শ্ৰমিক সমন্বয় সমিতিয়ে বিভিন্ন দাবীৰ সমৰ্থনত এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে।

২২ নৱেম্বৰৰ পুৱা ৬ বজাত এই কাৰ্যসূচীৰ অন্ত পৰিব। বন্ধৰ সময়ছোৱাত ৰাজ্যজুৰি যাত্ৰীবাহী বাছ আৰু বাণিজ্যিক পৰিবহণ সেৱা বন্ধ থকাৰ সম্ভাৱনা আছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3931

ব্যৱসায়-বাণিজ্য

গুৱাহাটীত পুনৰ কমিল সোণৰ দাম, ২২ কেৰেটৰ প্ৰতিগ্ৰাম ১২,৩২৪ টকা

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, আবেলি ৪:১৯



গুৱাহাটী: সোণ ক্ৰেতাৰ বাবে কিছু সকাহৰ খবৰ। মঙলবাৰে গুৱাহাটীৰ স্বৰ্ণ বজাৰত পুনৰ হ্ৰাস পাইছে সোণৰ দাম। ২২ কেৰেট আৰু ২৪ কেৰেট - উভয় প্ৰকাৰৰ সোণৰ মূল্য সোমবাৰৰ তুলনাত কমিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3901

অসম

দুলীয়াজানৰ ত্ৰিপল মাৰ্ডাৰৰ ঘটনাৰ দুই মূল অভিযুক্তক শিমলুগুৰিত গ্ৰেপ্তাৰ

ৰঞ্জিত সভাপণ্ডিত | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১০



দুলীয়াজান: দুলীয়াজানৰ কমলাবাৰীত একেটা পৰিয়ালৰ তিনিগৰাকী সদস্যৰ মৃতদেহ উদ্ধাৰৰ চাঞ্চল্যকৰ ঘটনাত দুই মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3885

অসম

'কেৱল ১৯ লাখ মানুহৰ নাম বাদ পৰা NRC খনক লৈ আমি সন্তুষ্ট নহয়। সেয়ে পুনৰ পৰীক্ষা লাগে'- উৎপল শর্মা

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, আবেলি ৪:২৬



১৭ নৱেম্বৰ, ২০২৬ :

'কেৱল ১৯ লাখ মানুহৰ নাম বাদ পৰা NRC খনক লৈ আমি সন্তুষ্ট নহয়। সেয়ে পুনৰ পৰীক্ষা বিচাৰিছো।' - সামাজিক মাধ্যমত আছু সভাপতি উৎপল শর্মাৰ পোষ্ট-

অসমত NRC আৰু SIR, দুয়োটাই লাগিব।

অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী পুনৰ পৰীক্ষাৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই দাখিল কৰা আবেদনখন উচ্চতম ন্যায়ালয়ে শুনানিৰ বাবে গ্ৰহণ কৰিছে। বিষয়টোৰ সন্দর্ভত উত্তৰ বিচাৰি ন্যায়ালয়ে অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰলৈ জাননী জাৰি কৰিছে।

সামাজিক মাধ্যমত দিয়া এক পোষ্টত আছুৰ সভাপতি উৎপল শর্মাই এই কথা জনায়। চূড়ান্ত এনআৰচিৰ পৰা প্ৰায় ১৯ লাখ লোকৰ নাম বাদ পৰাক লৈ অসমৰ জনসাধাৰণ, আছু, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে অসন্তুষ্টি প্ৰকাশ কৰিছিল বুলি তেওঁ উল্লেখ কৰে।

উৎপল শর্মাই কয় যে, এনআৰচি পুনৰ পৰীক্ষাৰ বিষয়টো চৰকাৰে কেতিয়াও উত্থাপন কৰা নাছিল। অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধন ৰূপায়ণৰ প্ৰয়োজনীয়তাৰ কথা কোৱাৰ সময়তে আছুৱে এনআৰচি পুনৰ পৰীক্ষাৰ দাবীও উত্থাপন কৰি আহিছে বুলি তেওঁ জনায়।

আছু সভাপতিগৰাকীয়ে স্পষ্ট কৰি দিছে যে অসমত ভোটাৰ তালিকাৰ বিশেষ নিবিড় সংশোধনী (SIR) আৰু শুদ্ধ NRC-ৰ প্ৰয়োজনীয়তা আছে। ভোটাৰ তালিকাত এজনো অবৈধ বাংলাদেশীৰ নাম থাকিব নোৱাৰিব বুলি তেওঁ উল্লেখ কৰে।

NRC সন্দর্ভত আছুৱে কি পদক্ষেপ গ্ৰহণ কৰিছে বা বিষয়টো পাহৰি গৈছে নেকি বুলি প্ৰশ্ন কৰাসকলৰ বাবেও এই আৱেদন...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3897

অসম

লক্ষীপুৰ থানাৰ পৰা পলায়ন কৰা দুই অভিযুক্ত গুৱাহাটীত পুনৰ গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, আবেলি ৪:০৪



গোৱালপাৰা, ১৭ নৱেম্বৰ: গোৱালপাৰা জিলাৰ লক্ষীপুৰ আৰক্ষী থানাৰ পৰা পলায়ন কৰা দুই অভিযুক্তক চাৰিদিনীয়া অভিযানৰ অন্তত গুৱাহাটীৰ পৰা পুনৰ গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে।

ধৃত অভিযুক্ত দুজন হৈছে জলেশ্বৰ থানাৰ অন্তৰ্গত ৰাজমিতা গাঁৱৰ জান্নাতুল ফেৰদাউচ ওৰফে ৰাতুল আৰু চিলাৰভিটা গাঁৱৰ নবীৰ।

আৰক্ষীয়ে যোৱা ১২ নৱেম্বৰৰ নিশা দুয়োকে আটক কৰিছিল। কিন্তু সেই নিশাই লক্ষীপুৰ আৰক্ষী থানাৰ খিৰিকীৰ গ্ৰীল ভাঙি দুয়ো পলায়ন কৰিছিল বুলি জানিব পৰা গৈছে।

জান্নাতুল আৰু নবীৰৰ বিৰুদ্ধে চুৰি, ড্ৰাগছ সৰবৰাহ আৰু ড্ৰাগছ সেৱনকে ধৰি একাধিক অপৰাধজনিত গোচৰ আছে। পলায়নৰ পাছতে তেওঁলোকৰ সন্ধানত অভিযান আৰম্ভ কৰিছিল আৰক্ষীয়ে।

থানাৰ ভিতৰৰ পৰা খিৰিকীৰ গ্ৰীল ভাঙি অভিযুক্তদ্বয়ৰ পলায়নৰ ঘটনাই থানাখনৰ নিৰাপত্তা ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। কৰ্তব্যৰত আৰক্ষীৰ কোনো গাফিলতি আছিল নেকি, তাক লৈও চৰ্চা চলিছে। অৱশ্যে, বিভাগীয় তদন্ত বা কোনো আৰক্ষী বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ সন্দর্ভত আনুষ্ঠানিক ঘোষণা হোৱা নাই।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3893

অসম

'ৰকিবুলৰ সংগই এদিন ধ্বংস কৰিব গৌৰৱ গগৈক' - কংগ্রেছক তীব্র কটাক্ষ ভূপেন বৰাৰ

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৮



১৭ নৱেম্বৰ, ২০২৬:

'কংগ্রেছ চৰকাৰৰ দিনত কি কৰিছিল ৰাজকুমাৰ গৌৰৱ গগৈয়ে? এতিয়া চৰকাৰী ভূমি বেদখলকাৰীৰ ওপৰত ইমান দৰদ গৌৰৱ গগৈৰ।' গৌৰৱ গগৈক কটাক্ষ কৰি বিধায়ক ভূপেন কুমাৰ বৰাৰ মন্তব্য।

কংগ্রেছৰ সাংসদ তথা অসম প্রদেশ কংগ্রেছৰ সভাপতি গৌৰৱ গগৈক লক্ষ্য কৰি তীব্র সমালোচনা কৰিছে বিজেপি বিধায়ক ভূপেন বৰাই। চৰকাৰী ভূমি বেদখল আৰু উচ্ছেদ অভিযানক লৈ গৌৰৱ গগৈৰ স্থিতিৰ প্রসংগ উত্থাপন কৰি কংগ্রেছ চৰকাৰৰ দিনত গগৈয়ে কি ভূমিকা পালন কৰিছিল বুলি তেওঁ প্রশ্ন তোলে। ভূপেন বৰাই কটাক্ষ কৰি কয়, 'কংগ্রেছ চৰকাৰৰ দিনত ৰাজকুমাৰ গৌৰৱ গগৈয়ে কি কৰিছিল? এতিয়া চৰকাৰী ভূমি বেদখলকাৰীৰ প্রতি গৌৰৱ গগৈৰ ইমান দৰদ কিয়?'

কংগ্রেছ নেতা ৰকিবুল হুছেইনৰ সৈতে গৌৰৱ গগৈৰ সম্পর্কৰ প্রসংগ টানি বিধায়কগৰাকীয়ে এই মন্তব্য কৰে।

শাসকীয় পক্ষ আৰু সমালোচকৰ দৃষ্টিভংগী: মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা নেতৃত্বাধীন অসম চৰকাৰে সংৰক্ষিত বনাঞ্চল আৰু চৰকাৰী ভূমি অবৈধ বেদখলকাৰীৰ পৰা মুক্ত কৰাৰ বাবে ৰাজ্যজুৰি উচ্ছেদ অভিযান চলাই আহিছে। শাসকীয় দলৰ সমর্থকসকলে কংগ্রেছৰ শাসনকালত বেদখল ৰোধ নকৰাৰ অভিযোগ তোলাৰ লগতে বর্তমানৰ উচ্ছেদ অভিযানৰ বিৰোধিতাক বেদখলকাৰীৰ প্রতি দৰদ বুলি সমালোচনা কৰে।

উচ্ছেদ অভিযানক লৈ শাসকীয় আৰু বিৰোধী পক্ষৰ মাজত চলি থকা ৰাজনৈতিক বাকযুদ্ধৰ মাজতে ভূপেন বৰাৰ এই মন্তব্যই নতুন চর্চাৰ সৃষ্টি কৰিছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/3889

অসম

শিৱসাগৰ বন সংমণ্ডলত বদলিৰ নির্দেশ অমান্যৰ অভিযোগ অসম যুৱ মঞ্চৰ

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩১



১৭ নৱেম্বৰ, ২০২৬ :

শিৱসাগৰ বন সংমণ্ডলত চৰম অনিয়মৰ অভিযোগ অসম যুৱ মঞ্চৰ।

বন বিভাগৰ স্বচ্ছতাৰ দাবীক নস্যাৎ কৰি শিৱসাগৰ বন সংমণ্ডল প্রাধিকাৰীৰ (DFO) কার্যালয়ৰ অন্তর্গত দুই বিষয়া-কর্মচাৰীয়ে চৰকাৰী বদলিৰ নির্দেশনা অমান্য কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অসম যুৱ মঞ্চই ।শিৱসাগৰ বন সংমণ্ডলত চৰকাৰী বদলিৰ নির্দেশ অমান্য কৰাৰ অভিযোগ উত্থাপন কৰিছে অসম যুৱ মঞ্চই। সংগঠনটোৰ অভিযোগ অনুসৰি, আন জিলালৈ বদলিৰ নির্দেশ জাৰি হোৱাৰ পাছতো বন বিভাগৰ দুজন কর্মচাৰী শিৱসাগৰ জিলাতেই কর্মৰত হৈ আছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3881

অসম

'আমাক নামাজ পঢ়িবলৈ দিয়া নাই, মাৰি পেলাওক' - লখিমপুৰৰ উচ্ছেদিতৰ ক্ষোভ; কাষত থিয় দিলে কংগ্রেছ

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৩




১৭ নৱেম্বৰ, লখিমপুৰ: আমাক নামাজ পঢ়িবলৈ দিয়া নাই ;উচ্ছেদ কৰাতকৈ আমাক মাৰি পেলাওঁক, আমাৰ আৰু উপায় নাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3877

অসম

ওদালগুৰিত আৰক্ষীৰ অভিযান, এদিনতে ৭৭খন বাইকসহ ৮৩জনক আটক

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৪



ওদালগুৰি, ১৬ নৱেম্বৰ: ওদালগুৰি জিলাৰ ১০খন থানাত চলোৱা এক অভিযানত আৰক্ষীয়ে ৭৭খন বাইক-স্কুটি আৰু ৮৩জন লোকক আটক কৰিছে। হেলমেট নিপিন্ধা, দুচকীয়া বাহনত দুজনতকৈ অধিক লোক উঠা আৰু সুৰাসক্ত অৱস্থাত বাহন চলোৱাৰ অভিযোগত এই ব্যৱস্থা লোৱা হৈছে।

কাজিৰঙাৰ ঘটনাৰ পিছতে ৰাজ্যজুৰি আৰক্ষী প্ৰশাসনে যান-বাহন আইন উলংঘনৰ বিৰুদ্ধে অভিযান তীব্ৰ কৰিছে। ৰাজ্যত ট্ৰেফিক আইনৰ নতুন এছ'পি অনুসৰি ১৬ নৱেম্বৰৰ পৰা আৰক্ষী থানাসমূহে কঠোৰ স্থিতি গ্ৰহণ কৰিছে।


অভিযানত ওদালগুৰি সদৰ থানাই ১২খন বাহনসহ ১২জন, ডিমাকুছি থানাই ৬খন বাহনসহ ৭জন, টংলা থানাই ৬খন বাহনসহ ৯জন, খৈৰাবাৰী থান...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3868

অসম

উৎকোচৰ গোচৰত প্ৰাক্তন হাবিলদাৰ হানিফ আলী দোষমুক্ত

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৬



গুৱাহাটী, ১৭ নৱেম্বৰ: ২০১৮ চনৰ এটা উৎকোচ গ্ৰহণৰ গোচৰত প্ৰাক্তন আৰক্ষী হাবিলদাৰ হানিফ আলীক দোষমুক্ত ঘোষণা কৰিছে গুৱাহাটীৰ বিশেষ আদালতে।

অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক শাখাই তেওঁৰ বিৰুদ্ধে উত্থাপিত ধন দাবীৰ অভিযোগ আদালতত প্ৰমাণ কৰাত ব্যৰ্থ হোৱাৰ পাছতে বিশেষ ন্যায়াধীশৰ আদালতে এই ৰায় দিয়ে।

প্ৰাপ্ত তথ্য অনুসৰি, ২০১৮ চনৰ ১৫ মে'ত ৬,০০০ টকাৰ উৎকোচ গ্ৰহণ কৰাৰ অভিযোগত দুৰ্নীতি নিবাৰক শাখাই হানিফ আলীক গ্ৰেপ্তাৰ কৰিছিল। সেই সময়ত তেওঁ গুৱাহাটীৰ ওদালবাক্ৰা আৰক্ষী থানাত হাবিলদাৰ হিচাপে কৰ্মৰত আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3861

ক্ৰীড়া

আইচিচিৰ অধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত জয় শ্বাহ

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৭



আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ (ICC)ৰ অধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত হৈছে জয় শ্বাহ। সোমবাৰে ইণ্ডোনেছিয়াৰ বালিত অনুষ্ঠিত আইচিচিৰ ব'ৰ্ডৰ বৈঠকত তেওঁক দ্বিতীয়টো কাৰ্যকালৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে পুনৰ নিযুক্তি দিয়া হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3843

অসম

আজি সন্ধিয়া গুৱাহাটীত গানছ এন ৰ'জেছৰ সংগীতানুষ্ঠান

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০০



গুৱাহাটী, ১৭ নৱেম্বৰ: নৱেম্বৰৰ ডাৱৰীয়া পুৱাই গুৱাহাটীৰ আকাশ ছানি ধৰিছে। কিন্তু বতৰৰ এই গোমা পৰিৱেশেও ম্লান কৰিব পৰা নাই সংগীতপ্ৰেমীৰ উৎসাহ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3835

অসম

লখিমপুৰত দ্বিতীয়টো বৃহৎ উচ্ছেদ অভিযান, ৪২টা পৰিয়ালৰ বাসগৃহত চলিল প্ৰশাসনৰ বুলড'জাৰ

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৯



লখিমপুৰ, ১৭ নৱেম্বৰ: লখিমপুৰ জিলাত আৰম্ভ হৈছে দ্বিতীয়টো বৃহৎ উচ্ছেদ অভিযান। মঙলবাৰে পুৱাৰে পৰা জিলাখনৰ বৰবিল অঞ্চলত বুলড'জাৰ চলাই উচ্ছেদ কাৰ্যসূচী আৰম্ভ কৰিছে জিলা প্ৰশাসনে।

প্ৰায় ১৭ বিঘা ভূমিত বসবাস কৰি অহা ৪২টা পৰিয়ালৰ বাসগৃহত চলোৱা হৈছে এই উচ্ছেদ অভিযান। বুলড'জাৰৰ সহায়ত এটাৰ পাছত আনটো বাসগৃহ আঁতৰোৱা হৈছে।

পুৱাৰে পৰা প্ৰশাসনৰ দল ঘটনাস্থলীত উপস্থিত হৈ উচ্ছেদৰ কাম আৰম্ভ কৰে। এই অভিযানক কেন্দ্ৰ কৰি বৰবিল অঞ্চলত ব্যাপক চাঞ্চল্য সৃষ্টি হৈছে।

বহু বছৰ ধৰি উক্ত ভূমিত বসবাস কৰি অহা পৰিয়ালসমূহৰ বাসগৃহ উচ্ছেদ হোৱাৰ ফলত তেওঁলোকৰ ভৱিষ্যৎ আৰু পুনৰ সংস্থাপনৰ বিষয়টোক লৈ প্ৰশ্ন উত্থাপন হৈছে।

ইয়াৰ পূৰ্বেও লখিমপুৰ জিলাত বৃহৎ পৰিসৰত উচ্ছেদ অভিযান চলোৱা হৈছিল। সেই অভিযানৰ পাছত পুনৰ বৰবিলত আৰম্ভ হোৱা এই কাৰ্যসূচীক জিলাখনৰ দ্বিতীয়টো বৃহৎ উচ্ছেদ অভিযান হিচাপে অভিহিত কৰা হৈছে।

প্ৰশাসনৰ এই অভিযানত প্ৰায় ১৭ বিঘা ভূমি উচ্ছেদৰ আওতালৈ আহিছে। মুঠ ৪২টা পৰিয়ালৰ বাসগৃহ আঁতৰোৱাৰ লক্ষ্যৰে অভিযান চলি আছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3851

অসম

নলেগলে লগা বন্ধুৱেই হত্যা কৰিলে বন্ধুক! আশ্ৰাফুল হত্যাকাণ্ডত ৩ অভিযুক্তক গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১২



জাগীৰোড, ১৭ নৱেম্বৰ: মৰিগাঁৱৰ দলবাৰীৰ আশ্ৰাফুল ইছলাম হত্যাকাণ্ডৰ অভিযোগত জাগীৰোড আৰক্ষীয়ে তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। তদন্তত আশ্ৰাফুলৰ ঘনিষ্ঠ বন্ধু চাজৰুল হকো হত্যাকাণ্ডৰ অন্যতম অভিযুক্ত বুলি পোহৰলৈ আহিছে।

গ্ৰেপ্তাৰ হোৱা লোককেইজন হৈছে মায়ঙৰ ছাগলীকটা বিলপাৰৰ ছাইদুল ইছলাম, জাগীৰোডৰ বহা পাহাৰৰ উমৰ ফাৰুক আৰু মিকিৰভেটাৰ চাজৰুল হক। শনিবাৰে নিশা জাগীৰোডৰ মনহাত সংঘটিত ঘটনাৰ পাছতে আৰক্ষীয়ে ক্ষিপ্ৰতাৰে তদন্ত চলাই তিনিওজনকে গ্ৰেপ্তাৰ কৰে।

জাগীৰোডৰ বুৰাবুৰীৰ একাংশ লোকে আশ্ৰাফুলৰ চুইফট বাহনখন ভাড়াত লৈ গুৱাহাটীলৈ গৈছিল বুলি জ...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3831

অসম

বিজয় মাৰ্চেণ্ট ট্ৰফীত হিমাচল প্ৰদেশক ৭ উইকেটত হৰুৱালে অসমে

NewzNow ডেস্ক | ১৭ নৱেম্বৰ ২০২৬, নিশা ১২:৪১



গুৱাহাটী, ১৬ নৱেম্বৰ: বিজয় মাৰ্চেণ্ট ট্ৰফী এলিটৰ মেচত হিমাচল প্ৰদেশক ৭ উইকেটত পৰাস্ত কৰি অসমে ৬ মূল্যৱান পইণ্ট লাভ কৰিছে। বিজয়ৱাড়াৰ ডিভিআৰ গ্ৰাউণ্ডত অনুষ্ঠিত মেচখনত ১১১ ৰানৰ লক্ষ্য অসমে ৩ উইকেট হেৰুৱাই ২৯.

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3725

ক্ৰীড়া

ইণ্ডিয়ান অইল চাৰ্ভো মাষ্টাৰছ গলফ্‌ত সৌৰভ ৰাথীয়ে ৬৫ ৰান কৰি দুটা শ্বটেৰে অগ্ৰগতি লাভ

বিজয় সূত্ৰধৰ | ১৭ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৩



২০২৬-২৭ ডিপি ৱৰ্ল্ড পিজিটিআই ২৬ সংখ্যক ইণ্ডিয়ান অইল চাৰ্ভো মাষ্টাৰছ গলফ প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত ৭ আণ্ডাৰ ৬৫ কাৰ্ডিং কৰি দুটা শ্বটৰ অগ্ৰগতি লাভ কৰিছে গুৰুগ্ৰামৰ সৌৰভ ৰাথীয়ে। সৌৰভ ৰাথীয়ে প্ৰথম ৰাউণ্ডত ৮টা বাৰ্ডি কৰি নিজৰ অন্তিম হোল পাৰ-৪ ১৮ত দিনটোৰ একমাত্ৰ ব'গী কৰে। ১২০ গৰাকী খেলুৱৈৰ ভিতৰত মাত্ৰ ২৯ গৰাকীয়েহে প্ৰত্যাহ্বানমূলক পথত সমতুল্যভাৱে গ'ল দিবলৈ সক্ষম হয়।দিল্লীৰ অংশুল কবঠিয়াল আৰু প্ৰবীণ ওম প্ৰকাশ চৌহানে স্ক'ৰ ৫ আণ্ডাৰ ৬৭ৰে দ্বিতীয় স্থানত সমতা স্থাপন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3935

অসম

ৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ জীয়ৰীৰ বিৰল কৃতিত্ব; NSG-ৰ প্ৰশিক্ষণত শ্ৰেষ্ঠত্ব অৰ্জন দগাঁৱৰ ছাবিনা ইয়াছমিনৰ!

Saddam Hussain | ১৭ নৱেম্বৰ ২০২৬, নিশা ১২:১৮



সৰ্বভাৰতীয় পৰ্যায়ত পুনৰ এবাৰ উজলি উঠিল অসমৰ নাম। এইবাৰ ৰাষ্ট্ৰীয় নিৰাপত্তা ৰক্ষী চমুকৈ NSG-ৰ কঠোৰ কমাণ্ডো প্ৰশিক্ষণত অসম তথা নগাঁও জিলাৰ বাবে গৌৰৱৰ কঢ়িয়াই আনিছে জুৰীয়াৰ দগাঁৱৰ জীয়ৰী ছাবিনা ইয়াছমিনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3446

দেশ

ধন সৰবৰাহৰ গোচৰত আজম খানলৈ অন্তৰ্বৰ্তীকালীন জামিন

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, নিশা ৭:২৭



প্ৰয়াগৰাজ, ১৭ নৱেম্বৰ: সমাজবাদী পাৰ্টীৰ জ্যেষ্ঠ নেতা তথা উত্তৰ প্ৰদেশৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী আজম খানক জৌহৰ ট্ৰাষ্টৰ সৈতে জড়িত প্ৰায় ৪২৬ কোটি টকাৰ ধন সৰবৰাহৰ গোচৰত অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিছে এলাহাবাদ উচ্চ ন্যায়ালয়ে।

ইডিয়ে গ্ৰেপ্তাৰ কৰা আজম খানৰ আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ ৰাজীৱ গুপ্তা আৰু ন্যায়াধীশ দেৱেন্দ্ৰ সিঙৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ দিয়ে।

আদালতে প্ৰাথমিক পৰ্যায়ত পৰ্যবেক্ষণ কৰে যে, ৩১ অক্টোবৰত আজম খানক গ্ৰেপ্তাৰ কৰাৰ সময়ত ইডিয়ে সংবিধানৰ ২২(১) অনুচ্ছেদত উল্লেখ কৰা প্ৰয়োজনীয় প্ৰক্ৰিয়া...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3963

দেশ

দুই দোষীক জামিন, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশক প্ৰত্যাহ্বান জনোৱাৰ হুংকাৰ বানুৰ

শ্বাহ আলম | ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৪



নতুন দিল্লী, ১৭ নৱেম্বৰ: ২০০২ চনৰ গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত বিলকিছ বানুক গণধৰ্ষণ আৰু তেওঁৰ পৰিয়ালৰ সাতগৰাকী সদস্যক হত্যাৰ গোচৰত দোষী সাব্যস্ত হোৱা দুজন লোকক জামিন প্ৰদানৰ সিদ্ধান্তক লৈ নতুন বিতৰ্কৰ সৃষ্টি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3873